# ৰেণু ভূঞাৰ দুটা কবিতা

## উপলব্ধি

প্ৰাপ্তি–অপ্ৰাপ্তিৰ দোমোজাত
স্থবিৰ জীৱন।
দুখ আৰু সুখৰ অনুভৱত
এই ছিগো ছিগো
ৰঙীন সূতাৰ পাক।
বিশ্বাস আৰু অবিশ্বাসৰ
মায়াজালত ডুলি থাকে হৃদয়।
আশাহত হৈয়ো জন্ম হয় আশা
সূৰ্য উঠাৰ দেশত
ৰঙীন পৃষ্ঠা খুলি
বিচৰণ কৰে
আমাৰ ৰহস্যময়ী মন।
ইয়াৰ নামেই জীৱন।

## জীৱনৰ স্তৱক

মই মোৰ ছাঁত জিৰাবলৈ
আজুককাৰপৰা শিকিছিলোঁ।
সদায় দেখা নদীখন
ক্ৰমান্বয়ে দীঘল আৰু বহল হৈ পৰিছিল।
পাৰ থহায় নিজৰ অস্তিত্ব জাহিৰ কৰিছিল।

কোনোবাই ক'ৰবাত ভেটা দিলে
নদীখনে অস্তিত্ব হেৰুৱালে।
মোৰ ছাঁটোও আগতকৈ
চুটি আৰু সৰু হ'ল।
উচুপিবলৈ মন যোৱা নাই।

বৰগছজোপাৰ ওপৰলৈ চালোঁ
ডাল–পাতবোৰ একেই আছে
সবল আৰু সাবলীল।

শ্মশানখনতো জুইকুৰা
দপদপাই জ্বলিছে।
আশপাশবোৰ পোহৰাই তুলিছে।
পোহৰখিনি পিছৰ
পুৰুষলৈ থ'লোঁ।